**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাৰ কেইবাটাও পৰিষদীয় সমষ্টিত অনুষ্ঠিত কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰি সমাগত বি টি চি পৰিষদীয় নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিত দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিজেপি চৰকাৰ শাসনত থকালৈ ৰাজ্যত অবৈধভাৱে দখলীকৃত ভূমিত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি তেওঁ মন্তব্য কৰে। বিগত পাঁচ বছৰত বি টি আৰত শান্তিৰ বাতাবৰণ সৃষ্টি কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। ড০ শৰ্মাই তামুলপুৰ জিলাত স্বাস্থ্য সেৱা খণ্ডত উল্লেখনীয় পদক্ষেপ হিচাপে অহা বছৰৰ ভিতৰত তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বি টি চি পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অহা ৫ আগষ্টত চিৰাঙৰ বিজনীত দুখনকৈ দলীয় কাৰ্যকৰ্তা সন্মিলনতো অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

oooo

গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰীবিলত বন বিভাগ আৰু জিলা প্ৰশাসনে অহা ৮ আগষ্টত উচ্ছেদৰ দিন ধাৰ্য কৰাৰ পাছতে জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক অঞ্চলটো খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ শুকুৰবাৰে উকলি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অহা ৬ আগষ্টৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব আৰু ৮ আগষ্টৰ পুৱা উচ্ছেদ চলোৱা হ'ব। ইয়াৰ জৰিয়তে প্ৰায় ৩৫০ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। ইতিমধ্যে গাওঁখনৰ প্ৰায় ৮০ শতাংশ লোক নিজ নিজ বয়বস্তু হৈ অন্য ঠাইলৈ ৰাওনা হৈছে। ইয়াৰে প্ৰায় ৪০ টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত কিছু সময় বিচাৰি আবেদন কৰাৰ পাছত তেওঁলোকৰ বাবে এই সময়সীমা ৭ আগষ্টলৈ বঢ়াই দিয়া হৈছিল। অঞ্চলটোত থাকি যোৱা একাংশ লোকেও এতিয়া সেই স্থান এৰি যোৱাৰ বাবে প্ৰস্তুতি চলাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ইপিনে, বন বভিাগৰ উদে ্যাগত গোলাঘাট জিলা প্ৰশাসন, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু নাগালেণ্ড চৰকাৰে সমন্বিতভাৱে চলাই থকা উচ্ছেদ অভিযানৰ আজি চতুৰ্থ দিনা নামবৰ দক্ষিণ সংৰক্ষিত বনাঞ্চলৰ কিছু অংশত উচ্ছেদ চলোৱা হয়। আজি গেলাজান আৰু ৩ নম্বৰ ৰজা পুখুৰীৰ অবৈধভাৱে দখলীকৃত বনভূমিত শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান সম্পন্ন হয়। আজিৰ অভিযানত ৩৫০টাতকৈ অধিক পৰিয়াল উচ্ছেদ কৰি প্ৰায় এহেজাৰ বিঘা সংৰক্ষিত বনভূমি পুনৰুদ্ধাৰ কৰা হয়।

ইফালে, বিশ্বনাথ জিলা প্ৰশাসনে জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৭টা পৰিয়াললৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। এই লোকসকলে চৰকাৰী গো-চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকাৰ অভিযোগত ১৫ দিনৰ ভিতৰত তেওঁলোকক আঁতৰি যাবলৈ জাননী দিয়া হৈছে।

০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীত অনুষ্ঠিত হয়। নিখিল ভাৰত কংগ্ৰেছ, অসমৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং, সম্পাদক পৃথ্বিৰাজ সাথে আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত আয়োজিত এই কাৰ্যনিৰ্বাহক সভাত অসমৰ আটাইকেইখন জিলাৰ জিলা সভাপতি আৰু অন্যান্য নেতা-কৰ্মীসকলৰ সৈতে বিভিন্ন বিষয়ত আলোচনা কৰা হয়। বৈঠকত বিশেষকৈ অসমৰ থলুৱা আৰু খিলঞ্জীয়া লোকৰ অধিকাৰ আৰু স্বাৰ্থৰ সুৰক্ষা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয় বুলি শ্ৰীগগৈয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। অহা ছেপ্তেম্বৰৰ পৰা কংগ্ৰেছে সমগ্ৰ ৰাজ্যতে শক্তিশালী ৰূপত সাংগঠনিক কাম-কাজ আৰম্ভ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। অহা ১৫ আগষ্টত কংগ্ৰেছে জিলা আৰু খণ্ড পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা কৰিব বুলিও শ্ৰীগগৈয়ে প্ৰকাশ কৰে।

০০০০

বিশিষ্ট লেখিকা, অনুবাদক তথা শিক্ষাবিদ গীতা উপাধ্যায়ক আজি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে তেওঁৰ তেজপুৰৰ বাসগৃহত সাক্ষাৎ কৰি ২০২৫ বৰ্ষৰ পদ্মশ্ৰী বঁটা অৰ্পণ কৰে। উল্লেখযোগ্য যে যোৱা মে'ত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত পদ্ম বঁটা প্ৰদান অনুষ্ঠানত স্বাস্থ্যজনিত কাৰণত সাহিত্যিকগৰাকী উপস্থিত থাকিব পৰা নাছিল। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী ডাঃ ৰণোজ পেগু, চন্দ্ৰমোহন পাটোৱাৰী, অশোক সিংহাল আৰু তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই শ্ৰীমতী উপাধ্যায়ৰ হাতত পদ্মশ্ৰী বঁটা অৰ্পণ কৰে। অসমীয়া আৰু নেপালী সাহিত্যৰ লগতে অনুবাদ সাহিত্যত অনন্য অৱদান আগবঢ়াই যোৱা বিশিষ্ট সাহিত্যিকগৰাকীৰ প্ৰজ্ঞা, চিন্তাশীলতা আৰু মৌলিক ৰচনাৰাজিয়ে অসম তথা দেশৰ বৌদ্ধিক জগতত বিশেষ অৰিহনা যোগাইছে।

০০০০

ভাৰতৰ বিৰুদ্ধে অ'ভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টখনৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে দ্বিতীয় ইনিংছত ৩৭৪ ৰাণৰ লক্ষ্যৰে খেলি আমালৈ বাতৰি অহাৰ পৰলৈকে চাৰিটা উইকেট হেৰুৱাই ৩৩০ ৰাণ সংগ্ৰহ কৰিছে। জ' ৰুটে ১০২ আৰু জেকব বেথেলে ৫ ৰাণ কৰি খেলি আছে। হেৰি ব্ৰুকে ১১১ ৰাণ কৰি ঘৰুৱা দলটোক শক্তিশালী স্থিতি উপনীত কৰায়। ভাৰতৰ হৈ মহম্মদ চিৰাজে দুটা, প্ৰসিদ্ধ কৃষ্ণ আৰু আকাশদীপে এটাকৈ উইকেট দখল কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ